# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 11-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

অসম ৰাজ্যিক শিক্ষা পৰিষদৰ অধীনৰ এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হৈছে ৬৩ দশমিক ৯-৮ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪ লাখ ২২ হাজাৰ ৭৩৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৯ হাজাৰ ৪১ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত, এক লাখ ৩৫ হাজাৰ ৫৬৮ গৰাকী দ্বিতীয় বিভাগত আৰু ৪৫ হাজাৰ ৮৬২ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰেৰে শিৱসাগৰ জিলাই প্ৰথম স্থান, ডিব্ৰুগড় জিলাই দ্বিতীয় আৰু ধেমাজি জিলাই তৃতীয় স্থান দখল কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৰহাট জিলাৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আমিষী শইকীয়াই ৯৮ দশমিক ৫-০ শতাংশ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান, গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ সপ্তৰ্শ্ব বৰদলৈয়ে ৯৮ দশমিক ৩-৩ শতাংশ নম্বৰ লাভ কৰি দ্বিতীয় স্থান আৰু যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অনিৰ্বান বৰগোঁহায়ে ৯৮ দশমিক ১-৭ শতাংশ নম্বৰেৰে তৃতীয় স্থান লাভ কৰিছে। ০

০০০০০

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি আবেলি ৩ বজাত সামৰণি পৰে। শিৱসাগৰ জিলাত বিজেপিয়ে শিৱসাগৰ বিধানসভা সমষ্টিৰ চাৰিখন জিলা পৰিষদ, ২৭ টা পঞ্চায়ত আৰু ২৭০ টা ৱাৰ্ডত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ৰাইজৰ দল আৰু অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰে।

কাছাৰ জিলাতো বিভিন্ন বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতাপাৰ্টীৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্যসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

হোজাই জিলাতো আজি লামডিং সমষ্টিৰ অন্তৰ্গত ১৮খন গাঁও পঞ্চায়তৰ প্ৰাৰ্থীসকলে লামডিং সম-জিলা আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

কামৰূপ জিলাত আজি বিজেপি, অগপ আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীসকলে আসন বুজাবুজিৰে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ দলে জিলা পৰিষদত নিজৰ প্ৰাৰ্থী মনোনীত কৰিছে যদিও ভালেসংখ্যক পদত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ পৰা বিৰত আছে।

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ আসনৰ বাবে বিজেপিৰ মনোনীত প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছৰো ৪ গৰাকী জিলা পৰিষদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আজি মঙলদৈ বিধানসভা সমষ্টিৰ অধীনৰ জিলা পৰিষদ আসনৰ বাবে দলীয় প্ৰাৰ্থীয়ে মনোনয়ন দাখিলৰ সময়ত দৰং জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত থাকে। দৰং জিলাত ৰঙামাটি জিলা পৰিষদ আসনত বিজেপিৰ বিতোপন ডেকা আৰু হাজৰিকাপাৰা কুৰুৱা জিলা পৰিষদ আসনত বিজেপিৰ পৰিস্মিতা নাথ বিনাপ্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়।

ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাতো পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। জিলাখনৰ ৭ খন আঞ্চলিক পঞ্চায়ত, ২২ খন জিলা পৰিষদ, ৮৬ খন গাওঁ পঞ্চায়ত আৰু ৮৬০ টা ৱাৰ্ডৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া সমাপ্ত হয়।

মৰিগাওঁত জিলা পৰিষদৰ সমষ্টিসমূহৰ বাবে মুঠতে ৩৬ খন মনোনয়ন পত্ৰ গ্ৰহণ কৰা হয়। ইয়াৰে মৰিগাঁও বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৯ খন, জাগীৰোড বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৮ খন আৰু লাহৰিঘাট বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ১৭ খন মনোনয়ন পত্ৰ দাখিল কৰা হয়। বজালী জিলাতো আজি অন্তিম দিনা অগপ-বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীসকলে বজালী খণ্ড উন্নয়ন বিষয়া আৰু বজালী জিলা পৰিষদৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৫ খন জিলা পৰিষদ আৰু ২৭ খন আঞ্চলিক পঞ্চায়তৰ বাবে বিজেপি-অগপ মিত্ৰজোটৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

দক্ষিণ শালমাৰা মানকাচৰত চাৰিখন জিলা পৰিষদৰ, ৩৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৫০ খন গাঁও পঞ্চায়তৰ বাবে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

ইপিনে, নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

ooooo

কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ আয়ুক্ত নিধি পাণ্ডে আজি খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ কেইবাটাও অনুষ্ঠানত উপস্থিত থাকি তেওঁলোকক উৎসাহিত কৰে। বিদ্যালয়খনৰ স্কাউট এণ্ড গাইডছ্‌ৰ দলৰ গাৰ্ড অৱ অ'নাৰ গ্ৰহণ কৰি সংগঠনটোৰ শীৰ্ষ বিষয়াগৰাকীয়ে প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। ইয়াতেই ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া লোক নৃত্য-গীতৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ লোকগীতৰ অনুষ্ঠান পৰিবেশন কৰে। খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষক তপ্তেশ কুমাৰ মেৰালে পৰিচালনা কৰা আৰু বিদ্যালয়খনৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অভিনয় কৰা "**চক্ৰব্যুহ**" নামৰ

ছুটি ছবিখনৰ পোষ্টাৰো আজি শ্ৰীমতী পাণ্ডে আনুষ্ঠানিকভাৱে মুকলি কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা কথা-বতৰাত পাণ্ডে তেওঁ নিজেও কেন্দ্ৰীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী  বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ লগতে সকলো ধৰণৰ সহ পাঠ্যক্ৰম কাৰ্যসূচীতো অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া শ্ৰীমতী নিধি পাণ্ডে আয়ুক্তৰূপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত এয়া আছিল তেওঁৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন কেন্দ্ৰীয় বিদ্যালয় পৰিদৰ্শন।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চেন্নাইত অনুষ্ঠিত এখন খেলত আজি চেন্নাই চুপাৰ কিংছে কোলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১০৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ